**<u>ননী আছ্নে ঘৰত</u>**

(নিৰ্বাচিত কিয়দংশ)

- নলিনীধৰ ভট্টাচাৰ্য

বতাহ জাকত তেজৰ ছিটিকনি আহি আছে
ননী, আছনে ঘৰত
ক'ব পাৰনে অ' তেজৰ ছিটিকনি পৰি আছে
ঘৰত, বিছনাত, পৃথিৱীত
তেজ, তেজৰ দাগ

এই বাউলী বতাহত কেনি গ'লি অ' সোণ নেজান নেকি,
সিহঁতে আলহী সোধে
এপিয়লা তৰুণ তেজেৰে
তয়ো যদি সজাৰ টেবুলত ভালপোৱাৰ সলনি তেজ
থাকিবনে মধুভকতৰ টোকাৰী

মূৰ আফালিছগৈ ক'ত, নেদেখ নেকি
তেজৰ বৰষুণত সকলো শিল হৈ গৈছে

মই সাগৰলৈ বুলি পাটী পাৰি থৈছোঁ
তই চোতালৰ নিয়ৰ-কণাকো নিচিনা হ'লি
মোৰ হৈও, তই মোৰ নহ'লি
উভতি নেচালি, কথা নুশুনিলি
কিমান ক'লোঁ কাণ পাতি শুন
সাগৰতলিৰ মাত
গছে গছে ফুলৰ শৰাই চা
গধূলি সন্ধিৰ ছাঁ-পোহৰত গা-টো এবাৰ তিয়া

কেনেকৈ পাহৰোঁ তোক, তই যে মোৰ পেটমোচা
দুখৰ নিশা তোক এতিয়াও ৰিঙিয়াওঁ
ননী, আছনে ঘৰত